# বাতৰি সন্দৰ্ভত

৯-১১-২০১৮ তাৰিখৰ দৈনিক জনমভূমিত প্ৰকাশিত 'এন আৰ চি কৰ্তৃপক্ষৰ অদ্ভুত চৰ্ত ঃ বিদেশী বুলি প্ৰতিপন্ন কৰিব নোৱাৰিলে আপত্তি দাখিল কৰোঁতা সন্মুখীন হ'ব শাস্তিৰ, আইনী মেৰপেঁচত পৰাৰ শংকা...' শীৰ্ষক বাতৰিটো সন্দৰ্ভত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাই তলৰ স্পষ্টীকৰণটো দিছে ঃ

'বাতৰিটোৰ প্ৰতি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষিত হৈছে। আপত্তি প্ৰমাণ কৰিব নোৱাৰিলে আপত্তিকাৰী *দহ পিঠিলৈ*

Continue reading.......

# বাতৰি সন্দৰ্ভত

১৯৫৫ চনৰ নাগৰিকত্ব আইনৰ ১৭নং ধাৰাৰ বিধান অনুসৰি শাস্তিৰ সন্মুখীন হ'ব লগা হ'ব বুলি কোনোবা আইন বিশেষজ্ঞই দিয়া পৰামৰ্শৰ ভিত্তিত উপৰিউক্ত বাতৰিটো আপাততঃ প্ৰকাশ কৰা হৈছে। এন আৰ চি কৰ্তৃপক্ষই এই আইনী পৰামৰ্শটোৰ অশুদ্ধতাৰ বিষয়ে আঙুলিয়াই দিয়াৰ প্ৰয়োজনবোধ কৰিছে। দৈনিক জনমভূমিৰ একেটা সংখ্যাৰ শেষ পৃষ্ঠাত প্ৰকাশিত বিজ্ঞাপনৰ ৫নং নিৰ্দেশনাত আপত্তি গ্ৰাহ্য নহ'লে আপত্তি দাখিল কৰোঁতা কোনো শাস্তিৰ সন্মুখীন নহয় বুলি স্পষ্টকৈ কোৱা হৈছে। আনহাতেদি, ১৯৫৫ৰ নাগৰিকত্ব আইনৰ ১৭ ধাৰাত জানি-বুজি ভুৱা/অসত্য তথা দাখিল কৰাৰ ক্ষেত্ৰত শাস্তি বিধানৰ ব্যৱস্থা সন্নিৱিষ্ট হৈছে। ১৭নং ধাৰাৰ ব্যৱস্থাৱলী উদ্ধৃত কৰা হ'ল ঃ

'17. Offences-Any person who, for the purpose of procuring anything to be done or not to be done under this Act, knowingly makes any representation which is false in a material particular shall be punishable with imprisonment for a term which may extend to five years, or with fine which may extend to fifty thousand rupees, or with both'.

© Dainik Janambhumi, 2015 | Power by Web.Com(I) Pvt. Ltd.